# ECHO OF HIS CALL

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ASSAMESE

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | SEPTEMBER 2023 | No. 03

### পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

**গীতমালা ১০১ ঃ ১-৮**

১। মই দয়া আৰু ন্যায় বিচাৰৰ গীত গাম; হে যিহোৱা, মই তোমাৰ উদ্দেশ্যে প্ৰশংসাৰ গান গাম।

২। মই সিদ্ধ পথত চলিবলৈ মনোযোগ দিম; তুমি কেতিয়া মোৰ ওচৰলৈ আহিবা? মোৰ ঘৰৰ ভিতৰত মই হৃদয়ৰ সিদ্ধতাত চলিম।

৩। মই জঘন্য কোনো বিষয়কে মোৰ চকুৰ আগত নাৰাখিম; বিপথে যোৱা লোকসকলৰ কাৰ্যক মই ঘিণ কৰোঁ, সেইবোৰে মোক খামুচি ধৰিব নোৱাৰিব।

৪। কুটিল অন্তঃকৰণ মোৰ পৰা দূৰ হ'ব; দুষ্টতাৰ লগত মোৰ সম্পৰ্ক নাথাকিব।

৫। যিজনে গোপনে চুবুৰীয়াৰ অপবাদ চৰ্চে, তেওঁক মই উচ্ছন্ন কৰিম; গৰ্বিত দৃষ্টি আৰু অহংকাৰী মনৰ লোকক মই সহ্য নকৰিম।

৬। দেশৰ বিশ্বাসী লোকসকলৰ ওপৰত মোৰ কৃপা দৃষ্টি থাকিব; তেওঁলোকে মোৰ সৈতে বাস কৰিব। যিজন সিদ্ধ পথত চলে, তেওঁ মোৰ পৰিচাৰক হ'ব।

৭। ছলনাকাৰীবোৰ মোৰ গৃহৰ ভিতৰত বাস কৰিব নোৱাৰিব; মিথ্যাবাদীবোৰ মোৰ চকুৰ আগত থিৰে থাকিব নোৱাৰিব।

৮। প্ৰতি ৰাতিপুৱাতে সকলো দুষ্ট লোকক মই বিনষ্ট কৰিম; যিহোৱাৰ নগৰৰ পৰা সকলো অধৰ্মচাৰীকে উচ্ছন্ন কৰিম।



## ভয় নকৰিব!

FEAR NOT! — যিচয়া ৪১ ঃ ১০

**এই বাৰ্তাই আপোনাৰ বিশ্বাসক উদ্ধাৰ কৰিব! গভীৰভাৱে পঢ়ক!!**

**পালক, এচ, চাম ছেলভা ৰাজ**

কিছুমান মানুহে কয়, "মই পুৱা উঠিয়েই অবৰ্ণনীয় সমস্যাবিলাকৰ সন্মুখীন হওঁ।" সেইবিলাক হৈছে-শাৰীৰিক, আৰেগিক আৰু পাৰিবাৰিক সমস্যা। বহুতে সমস্যাৰ পাছত সমস্যাৰ দ্বাৰাই বান্ধ খাই আছে আৰু তেওঁলোকে চিন্তিত হৈ এইদৰে কয়, "ইমানখিনি সমস্যাক নিয়ন্ত্ৰণ কৰিব নোৱাৰো, মোৰ সমস্যাবোৰে মোক পৰাজয় কৰি দিছে। এইবোৰৰ সৈতে যুঁজিবলৈ মোৰ আৰু শক্তি নাইকিয়া হৈছে। মই কিদৰে ইয়াৰ সমাধান বিচাৰিম?" আজি আপোনাৰো এইধৰণৰ অভিজ্ঞতা থাকিব পাৰে।

আমাৰ পৰিচৰ্য্যাত আমি এনেধৰণে অতিশয় কষ্টত ডুব গৈ যোৱা সাধুসকলৰ পৰা সদায়েই পত্ৰ পাই থাকো। কেইদিনমানৰ আগতে মই ইয়াৰে কিছুমান পত্ৰ পঢ়ি থাকোতে প্ৰায় আধাদিন সময় গুছি গৈছিল ঃ

এগৰাকী ঐশ্বৰিক মহিলাই এইদৰে লিখিছিল ঃ "মোৰ বৈবাহিক জীৱনে এতিয়া পঁইত্ৰিশ বছৰ অতিক্ৰম কৰিছে আৰু মই এতিয়া এগৰাকী আইতাও হ'লো। কিন্তু এতিয়া মোৰ পৰিয়াল মোৰ স্বামীৰ দ্বাৰাই ধ্বংস হৈ গৈ আছে। এটা সময়ত তেওঁ ঈশ্বৰৰ অভিষেক পোৱা মানুহ আছিল।

৩ পৃষ্ঠাত চাওঁক

ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পত্ৰ ...



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**

Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**

Bro. N. Prakasam, M.A., General Manager
Dr. Rabinder Boaz, M.S.
Bro. K. Puratchivendan

**EDITORIAL BOARD**

Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran



**EDITOR, PUBLISHER & PRINTER**

Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.



Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**E.mail ID**

sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**

www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**

Echo of His Call


**"যি সৰু সি হাজাৰ হৈ উঠিব; সৰু জাতি বৃহৎ হ'ব, মই, যিহোৱাই, উচিত সময়ত ইয়াক সাম্ফল কৰিবলৈ বেগী হ'ম"।**

**যিচয়া ৬০ঃ২২**

প্ৰভুত মোৰ প্ৰিয়সকল !

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ নামত আমি আপোনালোকক শুভেচ্ছা জনাইছো !

আমি বিশ্বাস কৰো আপোনালোকৰ সকলোৱে ভালে-কুশলে আছে। আমি সদায় আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰো; যেতিয়া ঈশ্বৰ আমাৰ লগত আছে, সাহসী হওক।

অলপতে আমি আমাৰ পৰিচৰ্য্যাত, যাত্ৰা কৰোতে আৰু আমাৰ সকলো প্ৰয়াসত আৰু আমাৰ কাৰ্য্যকলাপসমূহৰ ওপৰত থকা ঈশ্বৰৰ হাতে আমাক চলাই আহিছে। প্ৰভু যীচুখ্ৰীষ্টই দিনে নিশাই আমাৰ লগত আছিল। সেই একেজনা স্বৰ্গীয় পিতৃয়ে আপোনালোককো প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰক।

আমাৰ পৰিচৰ্য্যাত থকা ঈশ্বৰৰ অনেক দাসসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ৰোগ হৈ আছে। গতিকে তেওঁলোকে তেওঁলোকৰ দায়িত্বসমূহ উপযুক্তভাৱে পালন কৰাত যথেষ্ট বাধাৰ সন্মুখীন হৈছে। এই বিষয়ত প্ৰাৰ্থনা কৰিবলৈ আমি আপোনালোকক আন্তৰিকতাৰে অনুৰোধ জনাইছো। এইটো আমাৰ বাবে বহুত জৰুৰী আৰু গুৰুত্বপূৰ্ণ বিষয়।

আমি এই কথা জানি অতিকৈ মনত দুখ পাইছো যে, আমি অতি প্ৰয়াসেৰে প্ৰতি মাহে পঠোৱা তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ মাহেকীয়া পত্ৰ আপোনালোকে পোৱা নাই।

কিয় এইদৰে হ'বলৈ পাইছে তাৰ কাৰণ উলিয়াবলৈ আমি চেষ্টা কৰি আছো, কিয়নো দৰ্জাত তলা মৰা, ঘৰ বদলি কৰা, মৃত্যু হোৱা আৰু গ্ৰহণ কৰা নাই, এইদৰে বিভিন্ন কাৰণত পত্ৰৰ কপিসমূহ আমালৈ ঘূৰি আহিছে। পাছত আমি জানিলো যে এই কাৰণবোৰ সঁচা নহয়। প্ৰিয়সকল আমি যিকোনো ক্ষেত্ৰতে আপোনালোকৰ লগত থকা সহভাগিতাক হেৰুৱাব নিবিচাৰো, কিয়নো আপুনি আমাৰ বাবে এজন বিশেষ লোক হয়! গতিকে, যদি আপুনি আৰু আপোনাৰ বন্ধুসকলে আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পত্ৰসমূহ বিশেষ তাৰিখত পোৱা নাই, তেন্তে অনুগ্ৰহ কৰি পত্ৰ, ই-মেইল, হোৱাটচ এপ, এচ, এম, এচ বা টেলিফোনযোগে আমাক জনাওক। যদি আপোনাৰ ঠিকনাৰ সলনি হৈছে, তেন্তে অনুগ্ৰহ কৰি আপোনাৰ পুৰণি আৰু নতুন ঠিকনাৰ বিষয়ে আমাক জনাওক, যাতে আমি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ কপিসমূহ সঠিকভাৱে পুনৰ পঠাব পাৰিম। লগতে দয়া কৰি আপোনালোকৰ ই-মেইল ঠিকনাবোৰকো পঠাওক। ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

আমাৰ কৰ্মীসকলৰ কঠোৰ পৰিশ্ৰমৰ যোগে আমি আমাৰ মাহেকীয়া পত্ৰসমূহ, ইখ অফ হীজ কল, ১৬ টা ভাষাত ডাকযোগে আৰু ই-মেইল যোগে তলত উল্লেখ কৰা তাৰিখসমূহত পঠাওঁ ঃ

| | | | |
|---|---|---|---|
| ১। | তামিল | - | আগ মাহৰ ২৮ তাৰিখে |
| ২। | ইংৰাজী | - | প্ৰতিমাহৰ ২ তাৰিখে |
| ৩। | চিনহালা | - | প্ৰতিমাহৰ ২ তাৰিখে |
| ৪। | আফ্ৰিকান | - | প্ৰতিমাহৰ ৪ তাৰিখে |
| ৫। | মালায়ালম | - | প্ৰতিমাহৰ ৪ তাৰিখে |

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Media Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

| | | | |
|---|---|---|---|
| ৬। | তেলুগু | - | প্ৰতিমাহৰ ৬ তাৰিখে |
| ৭। | হিন্দী | - | প্ৰতিমাহৰ ৯ তাৰিখে |
| ৮। | কানাড়া | - | প্ৰতিমাহৰ ১০ তাৰিখে |
| ৯। | মাৰাঠী | - | প্ৰতিমাহৰ ১২ তাৰিখে |
| ১০। | অসমীয়া | - | প্ৰতিমাহৰ ১২ তাৰিখে |
| ১১। | বঙালী | - | প্ৰতিমাহৰ ১৪ তাৰিখে |
| ১২। | উৰ্দু | - | প্ৰতিমাহৰ ১৪ তাৰিখে |
| ১৩। | নেপালী | - | প্ৰতিমাহৰ ১৬ তাৰিখে |
| ১৪। | গুজৰাট | - | প্ৰতিমাহৰ ১৬ তাৰিখে |
| ১৫। | উড়িয়া | - | প্ৰতিমাহৰ ১৮ তাৰিখে |
| ১৬। | পঞ্জাৱী | - | প্ৰতিমাহৰ ২০ তাৰিখে |

ওপৰৰ বিশেষ তাৰিখবিলাকত এই পত্ৰসমূহক আমি আমাৰ ৱেবচাইট www.echoofhiscall.org তো আপলোড কৰিছো। গতিকে অনুগ্ৰহ কৰি এই বিকল্পকো ব্যৱহাৰ কৰক। এই পত্ৰসমূহ আপোনালৈ পঠোৱাত সহায় কৰিবলৈ ৭৫ জন কৰ্মীয়ে কঠোৰ পৰিশ্ৰম কৰি আছে। তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বাৰ্তাসমূহ প্ৰথমে ইংৰাজীত লিখা হয় আৰু তাৰ পাছত সহকাৰী সম্পাদকসকলৰ দ্বাৰাই আন আন ১৫ টা ভাষাত অনুবাদ কৰা হয় আৰু টাইপ মৰাৰ পাছত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ নমুনাৰ মতে পত্ৰাঙ্কিত কৰা হয়।



আমাৰ ছপাশালৰ সহায়ৰ দ্বাৰাই এই পত্ৰাঙ্কিত বাৰ্তাবাহী পত্ৰসমূহ ছপা কৰা হয়, হাতেৰে ভাঁজ, অঞ্চলভিত্তিত আৰু ৰাজ্য ভিত্তিত পৃথক কৰা হয়, বন্ধা হয়, ট্ৰাকত লোড কৰা হয়, সঠিক তাৰিখত ডাক প্ৰবিধানৰ মতে ডাক কৰ্মীসকলৰ হাতত গতাই দিয়া হয়। এই পৰিচৰ্য্যাত লিপ্ত হোৱা ৭৫ জন কৰ্মীৰ বিষয়ে দয়া কৰি চিন্তা কৰক। ভাষা, সংস্কৃতি আৰু দেশ নিৰ্বিশেষে এই বাৰ্তাবাহী পত্ৰই পৃথিৱীৰ অনেক মানুহৰ জীৱনবিলাকক স্পৰ্শ কৰি আছে, চয়তানে আমাৰ কৰ্মীসকলক লক্ষ্য কৰি লৈছে আৰু তেওঁলোকক আত্মিক যুদ্ধৰ সন্মুখীন হ'বলৈ দিছে। আপুনি তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিবনে?

দয়া কৰি আপোনাৰ হৃদয়ত এই কথাক গমি চাওক আৰু এই পৰিচৰ্য্যাৰ এজন অংশীদাৰ হ'বলৈ কিছুমান উপায় বিচাৰক।

আমাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ কিছুমান প্ৰাৰ্থনা অংশীদাৰ সকলৰ আৰু সন্মানসূচক সম্বন্বয়কাৰী প্ৰয়োজন হৈছে যিসকলে তেওঁলোকৰ নিজ ভাষাত এই বাৰ্তাবাহী পত্ৰ পঢ়িব পাৰিব আৰু প্ৰতিমাহে এই বাৰ্তাবাহী পত্ৰসমূহক উন্নত কৰিবলৈ আমাক পৰামৰ্শ দিব পাৰিব। আমি এই প্ৰকাশ পৰিচৰ্য্যাক আৰু অধিক সাফল্যৰ সৈতে কৰিব বিচাৰো।

আমি অতি আগ্ৰহৰে আপোনালোকৰ উত্তৰৰ বাবে অপেক্ষা কৰিম আৰু আমাৰ এই সম্পাদকীয় পঢ়াৰ বাবে পুনৰ ধন্যবাদ জনাইছো।

ঈশ্বৰৰ শান্তি আপোনালোকৰ লগত থাকক।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**


**পালক, এচ, চাম ছেলভা ৰাজ**
**আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858,
E.mail : samselvaraj333@gmail.com


*১ পৃষ্ঠাৰ পৰা*

আৰু ঈশ্বৰৰ দ্বাৰাই পৰিচালিত হৈ আছিল। তেওঁত যি জুই জ্বলি আছিল, এতিয়া আৰু নাই। অনুগ্ৰহ কৰি তেওঁৰ বাবে আৰু মোৰ পৰিয়ালৰ বাবে প্ৰাৰ্থনা কৰক। তেওঁত মোৰ প্ৰতি প্ৰেম নাই আৰু একেবাৰে অসুখী হৈ আছো।"

এই মহিলাগৰাকীৰ জীৱনটোক দুখ-কষ্টৰ মেঘে ঘেৰি ৰাখিছে। তেওঁ এতিয়াও তেওঁৰ স্বামীক প্ৰেম কৰে আৰু তেওঁ তেওঁক ঘৰলৈ উভতি অহাটো বিচাৰে কিন্তু স্বামীয়ে তেওঁৰ আৱেগত আঘাত দিছে। তেওঁ প্ৰায়ে চিন্তিত হৈ কয়, "হে ঈশ্বৰ, এনে অৱস্থাই মোক ধ্বংস কৰি দিব, মই নাভাবো যে মই আৰু সহ্য কৰিব পাৰিম। কিদৰে মই আগলৈ চলি যাব পাৰিম।

আন এগৰাকী মহিলাই এইদৰে লিখিছে ঃ মই সাত বছৰ ধৰি নাড়ী দুৰ্বল হোৱাত সমস্যাত ভুগি আছো। মোৰ স্বামীও নৰিয়াত ভুগি আছে। যদিও আমিও ধন অযথা খৰছ নকৰো, আমাৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া। এতিয়া মোৰ উন্নানব্বৈ বছৰ বয়সত বৃদ্ধ পিতৃও কৰ্কট ৰোগত ভুগি আছে। আমি আপোনালৈ আমাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ জনাইছো।"

প্ৰত্যেক দিন এই মহিলা গৰাকীয়ে মৃত অৱস্থাত থকা পিতৃ, এজন ৰোগী স্বামী, তেওঁৰ অসহনীয় পেটৰ বিষ আৰু আৰ্থিক দুৰৱস্থাৰ সন্মুখীন হৈ আছে। মই ভাবো তেওঁ প্ৰায়ে ক্ৰন্দন কৰি এইদৰে ক'ব, "হে প্ৰভু এই শত্ৰুবোৰ মোতকৈ অতি শক্তিশালী, মোৰ দৰে এজন দুৰ্বল সহায়হীন ব্যক্তিয়ে কিদৰে আগবাঢ়ি যাম? আমি কিদৰে ইয়াৰ সমাধা বিচাৰিম?"

এজন পালকে ঃ যোৱা জুলাই ১ তাৰিখে মোৰ শৰীৰৰ মগুহৰ থোপাৰ ওপৰত ৰেডিকেল অস্ত্ৰোপচাৰ কৰা হ'ল, য'ত সম্পূৰ্ণ কৰ্কট ৰোগে আক্ৰমণ কৰিছিল। চিকিৎসকে মোৰ জিতেন্দ্ৰিয়ক নিয়ন্ত্ৰণ কৰা মাংসপেশীকে কাটি উলিয়ালে। তেওঁলোকে বিশ্বাস কৰিছে যে মই বহুমূত্ৰ ৰোগত ভুগি আছো আৰু পেটটো আলচাৰ হৈছে। অনুগ্ৰহ কৰি মোৰ বাবে প্ৰাৰ্থনা কৰক।

কিমান যে প্ৰকাণ্ড শত্ৰুবোৰৰ এই ব্যক্তিজনে সন্মুখীন হৈ আছে তেওঁ ভয়াতুৰ হৈ আছে! কোনে জানে তেওঁৰ শৰীৰটোক এতিয়াও কৰ্কট ৰোগে মুক্ত কৰা নাই। তাৰোপৰি বহুমূত্ৰ ৰোগ আৰু পেটত হোৱা আলচাৰে তেওঁক কষ্ট দি আছে। মই ভাবো, তেওঁ প্ৰায় নিজকে এইদৰে কয়, "মই কিদৰে একেৰাহে এইবোৰৰ সন্মুখীন হৈ থাকিম? মই ইয়াৰ পৰা উদ্ধাৰ পাব পাৰিম নে?"

ঈশ্বৰত থকা এগৰাকী জ্যেষ্ঠ ভনীয়ে লিখিছেঃ "অহা মাৰ্চ মাহত, মোৰ বয়স একাশী বছৰ হ'ব আৰু মোৰ গাঁঠিৰ বাত বেমাৰ আৰু বহুমূত্ৰ ৰোগ আছে, মোৰ পিঠি আৰু ভৰি দুটাও দুৰ্বল, গতিকে মই খোজকাঢ়িব নোৱাৰো। ঘৰত

মই অকলশৰীয়া আৰু মই নিজে ঘৰৰ সকলো কামখিনি কৰো। মোৰ হাতত যথেষ্ট ধন নাই বা মোৰ আপোন বুলিবলৈ কোনো নাই। অনুগ্ৰহ কৰি মোৰ বাবে প্ৰাৰ্থনা কৰক।"

মোৰ মনত এনে লাগিছে যেন এই মহিলা ৰোগী গৰাকীয়ে ৰোগী অৱস্থাতে পুৱাবেলাতে সাৰ পাই আহাৰ ৰান্ধিবলৈ চেষ্টা কৰে, ঘৰখন চলাবলৈ চেষ্টা কৰে, তেওঁক সহায় কৰোতা কোনো নাই। প্ৰত্যেক দিনাই তেওঁ ভাবিব পাৰে যে, "অহা কালিলৈ মই কিদৰে চলিম? পুৱাবেলাতেই যদি মই বিচনাৰ পৰা উঠিব নোৱাৰো মোৰ কি দশা হ'ব?"

আন এগৰাকী ভনীয়ে এইদৰে লিখিছে ঃ "অলপতে মোৰ স্বামীয়ে মোক ক'লে যে তেওঁৰ কণ্ঠ নলীত কৰ্কট ৰোগ আছে। তেখেত মোৰ এজন ঐশ্বৰিক স্বামী আৰু মোৰ ১৪ বছৰীয়া পুত্ৰৰ ভাল পিতৃও হয়। প্ৰাৰ্থনা কৰক যাতে মই সবল হৈ থাকো আৰু ইয়াৰ দ্বাৰাই প্ৰভুত মোৰ বিশ্বাস আৰু যেন বৃদ্ধি পায়।"

আমালৈ পত্ৰ লিখা আনবিলাকৰ দৰে এই মহিলা গৰাকীও প্ৰত্যেক দিনাই এনে প্ৰকাণ্ড সমস্যাৰ সন্মুখীন হোৱাত শক্তি পাবলৈ ক্ৰন্দন কৰিছে।

খ্ৰীষ্টিয়ান বিলাকৰ মাজত এনেধৰণৰ সমস্যা, দুখ-বেদনা, বিবাহৰ বাবে চেষ্টা, আৰ্থিক দুৰৱস্থা, শাৰীৰিক তাড়না, অন্তহীন কষ্টৰ বিষয়ে আগতে মই কেতিয়াও শুনা নাই। মানুহে মোক সুধি থাকে, "মই কিদৰে ইয়াৰ সমাধান বিচাৰি পাম? এই শত্ৰুবোৰ মোতকৈ শক্তিশালী। এইবোৰৰ পৰা উদ্ধাৰ পাবলৈ মই দুৰ্বল, সহায়হীন আৰু অক্ষম। হে ঈশ্বৰ, মই কিদৰে এইবিলাকৰ পৰা উদ্ধাৰ পাম?

সত্যটো এইয়ে যে, এই ভয়ানক বিষয়বোৰৰ কোনোটোৱেই ঈশ্বৰক আচৰিত নকৰে। মানৱ জাতিলৈ ঘটা যিকোনো ভয়ানক সমস্যাৰ বিষয়ে তেওঁ আগতেই জানে, আজি আমি সন্মুখীন হোৱা অভাৱ আৰু সমস্যাৰ বিষয়ে তেওঁ জানে। বাইবেলে আমাক কয় যে সেইবিলাকৰ সৈতে কিদৰে সন্মুখীন হ'ব লাগে তাক আমাক তেওঁ দেখুৱাব।

ঈশ্বৰে মোচিলৈ যি দুটা আশাৰ বাক্য কৈছিল সেই বাক্য আজি আমাৰ বাবেও প্ৰযোজ্য। তেওঁৰ নিৰ্দেশমতে যদি পালন কৰো আমি আমাৰ পৰীক্ষাবিলাকৰ পৰা যে কেৱল উদ্ধাৰ পাম এনে নহয়, কিন্তু ঈশ্বৰে আমালৈ দিয়া প্ৰতিজ্ঞাবিলাকক পৰিপূৰ্ণ কৰাত তেওঁ বিশ্বাসী হৈ থাকিব।

**১। আমাৰ যিকোনো শত্ৰুক ভয় নকৰিবলৈ ঈশ্বৰে আমাক আজ্ঞা দিয়ে !**

**"তুমি সিংহতলৈ ভয় নকৰিবা..."** (দ্বিতীয় বিৱৰণ ৭ঃ১৮)। ইস্ৰায়েলৰ বাবে "সিংহত" লৈ ঈশ্বৰৰ প্ৰতিজ্ঞা কৰা দেশত দেৱ মূৰ্ত্তিক সেৱা কৰা শক্তিশালী জাতিবিলাকৰ সন্মুখীন হোৱাক বুজায়। আজি আমাৰ বাবে "সিংহত" বুলিলে আমাৰ জীৱনত আমি সন্মুখীন হোৱা দুখ-কষ্টক, সমস্যা আৰু অসুবিধাবোৰক বুজায়।

আপুনি প্ৰশ্ন কৰিব পাৰে, আমি কিয় ভয় কৰিব নালাগে? ঈশ্বৰে এইদৰে কয়! আন কোনো ব্যাখ্যাৰ প্ৰয়োজন নাই। ঈশ্বৰে সৰ্বশক্তিমান সকলো যোগাওঁতা আৰু আমি সন্মুখীন হোৱা চয়তানৰ শক্তিশালী পৰীক্ষাৰ বিষয়ে তেওঁ জানে। সি আমাৰ ওপৰত পেলোৱা প্ৰত্যেকটো ফান্দ, পৰীক্ষা আৰু তাড়নাৰ বিষয়ে তেওঁ জানে। সেই গতিকে তেওঁ আমালৈ আজ্ঞা দিছে, "তুমি সিংহতলৈ ভয় নকৰিবা!"

ঈশ্বৰে এই আজ্ঞা আব্ৰাহামকো দিছিল। তেওঁ এখন অচিনাকী দেশত বাস কৰিছিল, চাৰিওফালে ক্ষমতাশালী ৰজাবিলাক আছিল আৰু তেওঁ জনা নাছিল যে শেষত তেওঁৰ কি হ'ব। তথাপিও তেওঁলৈ ঈশ্বৰৰ প্ৰথম আজ্ঞা আছিল, "ভয় নকৰিবা!" **"... হে আব্ৰাম, ভয় নকৰিবা; ময়েই তোমাৰ ঢাল আৰু মহাপুৰস্কাৰস্বৰূপ হৈছো"** আদি পুস্তক ১৫ঃ১।

এই খণ্ডবাক্যটোৰ অৰ্থ হৈছে, "মই তোমাক ৰক্ষা কৰোতা আৰু তোমাৰ প্ৰতিৰক্ষক হিচাপে তোমাৰ চাৰিওফালে বেৰস্বৰূপে হৈ থাকিম।" সাৰভাগত ঈশ্বৰে আব্ৰাহামলৈ কৈছে যে, "তুমি সমস্যাৰ সন্মুখীন হ'বা, কিন্তু মই তোমাক সেই সকলোৰে পৰা ৰক্ষা কৰিম" আব্ৰাহামে ঈশ্বৰৰ বাক্যক বিশ্বাস কৰিলে। তেতিয়া তেওঁ যিহোৱাত বিশ্বাস কৰিলত, যিহোৱাই তাকেই তেওঁৰ পক্ষে ধাৰ্মিকতা বুলি গণনা কৰিলে" (আদিপুস্তক ১৫ঃ৬)।

এই একে ধৰণৰ বাক্য ইছাহাকলৈও আহিছিল। তেওঁ প্ৰতিকূল পৰিৱেশত বাস কৰিছিল। চাৰিওফালে ঘেৰি ৰখা পলেষ্টীয়াবিলাকে তেওঁক ধৰিছিল, তাড়না কৰিছিল আৰু তেওঁ তেওঁবিলাকৰ দেশৰ পৰা খেদি দিব বিচাৰিছিল। শাস্ত্ৰই কয় যে ইছাহাকে পানীৰ বাবে যিমানবাৰ নাদ খান্দিছিল, পলেষ্টীয়াবিলাকে তাক ঢাকি পেলাইছিলঃ **"...এই সকলোকে পলেষ্টীয়াবিলাকে মাটি দি পুতি বন্ধ কৰিলে"** আদি ২৬ঃ১৫।

৬ পৃষ্ঠাত চাওক

नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।
माध्यम: हिन्दी
सदस्यता के लिए पंजीकृत उम्मीदवार - ATA
सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 54 वर्षों से सेवारत वरिष्ठ पासवान
Diploma in Ministry : One year
Diploma in Theology : Two years
Bachelor of Theology : Three years
योग्यता 10 वी या अधिक
जल्दी करें!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ऑनलाइन कक्षाएं उपलब्ध हैं ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৰা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৰা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৰা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ ছেপ্তেম্বৰৰ পৰা ২০২৩ চনৰ ১৮ অক্টোবৰলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

ছেপ্টেম্বৰ ১৯ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহৰ ৫৫ তম উৎসৱৰ তিথি পালন কৰাত আশীৰ্বাদৰ বাবে।

ছেপ্টেম্বৰ ২০ ঃ আমাৰ ছপাশালত ১৬ টা ভাষাত আমাৰ আলোচনীসমূহ ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত সমৰ্থ কৰাৰ বাবে।

ছেপ্টেম্বৰ ২১ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবচক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ আৰু মহান আজ্ঞা অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ প্ৰতি তেওঁৰ দয়াৰ বাবে।

ছেপ্টেম্বৰ ২২ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ কৰ্মীসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক ৰক্ষা কৰাৰ বাবে।

ছেপ্টেম্বৰ ২৩ ঃ আমাৰ ঈখ, অফ হীজ কল ইউ টিউব মেডিয়া পৰিচৰ্য্যাৰ ৫ মিনিট শুভবাৰ্তাত সাক্ষ্যদানৰ সৈতে আমাক আশীৰ্বাদ কৰাৰ বাবে।

ছেপ্টেম্বৰ ২৪ ঃ আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু বাইবেল যোগাযোগ পাঠ্যক্ৰমসমূহৰ ওপৰত তেওঁৰ আশীৰ্বাদৰ বাবে।

ছেপ্টেম্বৰ ২৫ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনীসমূহৰ সমৰ্পিত সহ-পৰিচালকসকলক পোৱাৰ বাবে।

ছেপ্টেম্বৰ ২৬ ঃ মিশ্বন কৰ্মীসকলৰ পৰা মহান দায়িত্ব ৰক্ষা পোৱাৰ বাবে।

ছেপ্টেম্বৰ ২৭ ঃ আমাৰ শুভবাৰ্তা ছপাশাল আৰু ইয়াৰ দক্ষ কৰ্মীসকলৰ সৈতে কাৰ্য্য বাহাল থকাৰ বাবে।

ছেপ্টেম্বৰ ২৮ ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজৰ বাবে নতুন ছাত্ৰ আৰু ছাত্ৰী পোৱাৰ বাবে।

ছেপ্টেম্বৰ ২৯ ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'লজীকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিৰ বাবে।

ছেপ্টেম্বৰ ৩০ ঃ ভেলাচেৰীত থকা আমাৰ বাসগৃহ নহিমিয়া বাইবেল কলেজৰ বাবে ভূগৰ্ভস্থৰ পানী আৰু নৰ্মদা সংযোগ পোৱাত সমৰ্থ হোৱাৰ বাবে।

অক্টোবৰ ০১ ঃ আমাৰ পৰিচৰ্য্যাৰ বাবে সহকাৰী সম্পাদক সকলৰ বাবে যিবিলাকে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাক সহায় কৰি আছে।

অক্টোবৰ ০২ ঃ আমাৰ কেন্দ্ৰৰ দেওবৰীয়া উপাসনা আৰু শাখা মণ্ডলীসমূহৰ উপাসনাত ঈশ্বৰৰ বাক্যত শক্তি থকাৰ বাবে।

অক্টোবৰ ০৩ ঃ আমাৰ বিভিন্ন পৰিচৰ্য্যাসমূহ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰাত জ্যেষ্ঠ পালক আৰু তেওঁৰ সমৰ্পনৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

অক্টোবৰ ০৪ ঃ ভাৰতৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা দিবলৈ আমাক সমৰ্থ কৰিবলৈ।

অক্টোবৰ ০৫ ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম, ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দ শক্তিৰ পৰা নিৰাপত্তাৰ জীৱন পাবলৈ।

অক্টোবৰ ০৬ ঃ আমাৰ কাৰ্য্যলয়ৰ কৰ্মী আৰু ছপাশাল কৰ্মীৰ সু-স্বাস্থ্যৰ বাবে।

অক্টোবৰ ০৭ ঃ আমাৰ সন্ধ্যা আৰু বাসগৃহ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ আৰু ছাত্ৰীৰ নিৰাপত্তাৰ বাবে।

অক্টোবৰ ০৮ ঃ এই মাহত ঈশ্বৰে আমাৰ প্ৰয়োজনীয় বস্তু যোগাবৰ বাবে।

অক্টোবৰ ০৯ ঃ আমাৰ পৰিচৰ্য্যাৰ বিস্তাৰ আৰু গোটেই পৃথিৱীৰ শুভবাৰ্তাৰ বিস্তাৰৰ বাবে।

অক্টোবৰ ১০ ঃ আমাৰ জ্যেষ্ঠ পালকে তেওঁৰ আত্মজীৱনী লিখাত কৃতকাৰ্য্য হ'বৰ বাবে।

অক্টোবৰ ১১ ঃ গোটেই পৃথিৱীত শান্তিৰ বাবে।

অক্টোবৰ ১২ ঃ গোটেই পৃথিৱীত মিশ্বনেৰীসকলৰ স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

অক্টোবৰ ১৩ ঃ মণিপুৰ ৰাজ্যৰ ওপৰত তেওঁৰ দয়া বৰষাই দিবৰ বাবে আৰু মেইটেই আৰু কুকি জনজাতিৰ মাজত শান্তি স্থাপনৰ বাবে।

অক্টোবৰ ১৪ ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক ডাক্তৰ, ৰিৰ্চাড চামুৱেল আৰু শ্ৰীমতি, চুৰাৰ্তা আৰু আমাৰ মাৰাঠী সম্পাদক ভাই, চাচিকান্ত টিৰাৰীৰ ভাৰ্য্যাই অতি সোনকালে সুস্থ লাভ কৰিবৰ বাবে।

অক্টোবৰ ১৫ ঃ পৃথিৱীৰ বিভিন্ন অঞ্চলত চলি থকা আৰ্থিক মন্দাৰ অন্ত পৰিবৰ বাবে।

অক্টোবৰ ১৬ ঃ গোটেই পৃথিৱীত প্ৰাকৃতিক দুৰ্যোগৰ পৰা মানুহবিলাকে স্বৰ্গীয় নিৰাপত্তা পাবৰ বাবে।

অক্টোবৰ ১৭ ঃ পৃথিৱীৰ গোটেই দেশসমূহত ঈশ্বৰক ভয় কৰা নেতাসকলৰ দ্বাৰাই আশীৰ্বাদ পাবৰ বাবে।

অক্টোবৰ ১৮ ঃ নিম্নবিত্ত লোকসকলৰ আৰ্থিক উন্নতিৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

যি যি ঠাইলৈকে ইছাহাক গৈছিল সেই ঠাইতেই একে ধৰণৰ সমস্যা আহিছিল। আনকি তেওঁ এটা নাদৰ নাম "ইছেক" ৰাখিছিল। যাৰ অৰ্থ হৈছে "কাজিয়া"। প্ৰকৃততে, ইছাহাকে তেওঁৰ জীৱনত কাজিয়াৰ সন্মুখীন হৈছিল। তেওঁ নিশ্চয় ভাবিছিল, "মই কিদৰে মোৰ পৰিয়ালক চলাম আৰু মেৰৰ জাকক পানী খুৱাম? যিকোনো সময়তেই পলেষ্টীয়াবিলাকে আমাৰ বয়বস্তু লুট কৰি নিব পাৰে। এনে পৰিস্থিতিত মই কিদৰে মোৰ সন্তানবিলাকক ভয় নকৰাকৈ ডাঙৰ-দীঘল কৰিম? হে ঈশ্বৰ, তুমি মোক কিয় ইয়ালৈ আনিলা? মই ইয়াৰ পৰা কিদৰে উদ্ধাৰ পাম?"

ইছাহাকৰ মনত এনে সন্দেহ ঠাই লোৱাৰ সময়ত, ঈশ্বৰে অব্ৰাহামলৈ দিয়া একে বাক্য তেওঁলোককো দিছিল, **"...মই তোমাৰ পিতৃ অব্ৰাহামৰ ঈশ্বৰ, ভয় নকৰিবা, কিয়নো মই তোমাৰ সঙ্গী হৈ তোমাক আশীৰ্বাদ কৰিম, আৰু মোৰ নিজ দাস অব্ৰাহামলৈ চাই তোমাৰ বংশ বৃদ্ধি কৰিম"** আদিপুস্তক ২৬ঃ২৪।

আজি আমিও ইছাহাকৰ দৰে অব্ৰাহামৰ সন্তান। ঈশ্বৰে আমালৈও একেই প্ৰতিজ্ঞা কৰিছে, যি প্ৰতিজ্ঞা তেওঁ অব্ৰাহাম আৰু তেওঁৰ বংশলৈ কৰিছিল। **"আৰু তোমালোক যদি খ্ৰীষ্টৰ হোৱা, তেন্তে তোমালোকে অব্ৰাহামৰ বংশ, প্ৰতিজ্ঞাৰ দৰে উত্তৰাধিকাৰী"** গালাতীয়া ৩ঃ২৯। আমি একেই ঈশ্বৰক সেৱা কৰো যিজন অব্ৰাহামৰ ঢাল আছিল। আৰু তেওঁ সৰ্বশক্তিমানৰূপে আমাৰ সৈতে আছে।

আমাৰ স্বৰ্গীয় পিতৃয়ে আমাৰ জীৱনৰ প্ৰত্যেক খোজতে দৃষ্টি কৰে। আমাৰ সকলো অভাৱ আৰু আৰু দুখ-কষ্টবিলাকৰ মাজত তেওঁ আমালৈ শাস্ত্ৰৰ যোগেদি বাৰে বাৰে এই আজ্ঞা দিয়েঃ "ভয় নকৰিবা।" আমি এইদৰে বিশ্বাস কৰিব নালাগে যে আমাৰ সমস্যাবোৰে আমাক শেষ কৰি ধ্বংস কৰিব। কিয়নো আমি জনা উচিত যে তেওঁ আমাৰ ঢালস্বৰূপ।

**হে ইস্ৰায়েল, তুমি ধন্য। যিহোৱাৰ দ্বাৰাই নিস্তাৰ পোৱা জাতি যি তুমি; তোমাৰ সদৃশ কোন আছে? তেওঁ তোমাৰ সহায় কৰোতা ঢাল, তোমাৰ মহাত্ম্য দিওঁতা তৰোৱাল; তোমাৰ শত্ৰুবোৰ তোমাৰ বশীভূত হ'ব, তুমি সিঁহতৰ ওখঠাই বোৰত ভৰি দিবা"** দ্বিতীয় বিৱৰণ ৩৩ঃ২৯। ঈশ্বৰে আমাক কৈ আছে, মই যে তোমাক ত্যাগ কৰিলো এই কথা মিছা। মই যে তোমাৰ শত্ৰুবোৰৰ বিৰুদ্ধে অকলে এৰি দিলো আৰু তোমালৈ মোৰ খং আছে বুলি ভবা কথা মিছা। সেই সকলো মিছা কথা চয়তানৰ পৰা হয়!"

**সদায় পাপেৰে আগুৰি থকা খ্ৰীষ্টিয়ানসকললৈ মই ক'ব খোজো!**

আপুনি প্ৰত্যেক ৰাতিপুৱাতেই আগুৰি থকা অভিলাষ বা অভ্যাসবিলাকৰ দুখত সাৰ পায়নে? "এই ভয়ানক বস্তু এতিয়াও মোত জীৱিত আছে বুলি ভাবি চিন্তিতহৈ আছেনে?"

আপোনাৰ হৃদয়ত থকা পাপৰ বিষয়ে ঈশ্বৰে জানে। আৰু আপুনি ইয়াক ঘৃণা কৰি কান্দি বিষয়েও তেওঁ জানে। এতিয়া তেওঁ আপোনাক এই বাক্যটিলৈ কান দিয়াক বিচাৰে, "ভয় নকৰিবা! মই তোমাৰ ঢালস্বৰূপ, তোমাৰ উদ্ধাৰকৰ্তা, তোমাৰ প্ৰতিৰক্ষক আৰু তোমাৰ সকলো শত্ৰুৰ বিৰুদ্ধে মই পবিত্ৰ তৰোৱাল। তুমি পোৱা তাড়নাৰ পৰা উদ্ধাৰৰ পথ মই জানো। আৰু মই তোমাক এই যুদ্ধত যুঁজ কৰিবলৈ শিকাম!"

দায়ুদে এই কথা জানিছিল। সেই গতিকে তেওঁ ক'ব পৰিছিল, **"মই কোনো আপদলৈ ভয় নকৰো..."** গীতমালা ২৩ঃ৪। তেওঁ উপলব্ধি কৰিছিল যে ৰজাক যদি তেওঁ ভয় কৰে চয়তানে তেওঁৰ ওপৰত জয়যুক্ত হ'ব।

প্ৰিয়জন, ঠিক সেইদৰে শত্ৰুৱে আপোনাৰ বিৰুদ্ধে কাৰ্য্য কৰে। তেওঁ আপোনাৰ পাপৰ বাবে আপোনাক ভয় খুৱাব বিচাৰে ভয় দেখুৱাব পাৰে, আপুনি কেতিয়াও উদ্ধাৰ নাপাব কিন্তু ঈশ্বৰে ভুগি থকা সকলো দাসবিলাকক কৈছেঃ "ভয় নকৰিবা!" মই তোমাৰ দুখ-কষ্ট দেখো আৰু জানো। আৰু মই তোমাক ধ্বংস কৰিবলৈ চয়তানক কেতিয়াও অনুমতি নিদিম!"

**আপুনি সুধিব পাৰে, "মই কি কৰিম? ঈশ্বৰৰ শান্তি আৰু জিৰণী মোৰ ওপৰত স্থিতি ল'বলৈ মই কিদৰে পাৰিম?"**

ইয়াৰ প্ৰত্যুত্তৰ ঈশ্বৰে মোচি আৰু ইস্ৰায়েললৈ দিয়া বাক্যত পোৱা যায়। সিঁহতৰ সন্মুখত সাগৰ, সিঁহতৰ পাছফালে শত্ৰু আৰু সিঁহতৰ ঘূৰিবলৈ ক'তো ঠাই নাই, ঈশ্বৰে সিঁহতক এই আজ্ঞা দিলে, "... **তোমালোকে ভয় নকৰিবা, থিৰে থাকা; যিহোৱাই আজি তোমালোকলৈ যি পৰিত্ৰাণৰ নিমিত্তে যুঁজ কৰিব; তোমালোক হ'লে মনে মনে থাকিবা,** যাত্ৰা পুস্তক ১৪ঃ১৩-১৪।

"তোমালোকে হ'লে মনে মনে থাকিবা" এই খণ্ডবাক্যই কি বুজাইছে? ইয়াৰ অৰ্থ হৈছে -আৰু চিন্তা নকৰিবা, যিকোনো বস্তুৰ আকৃতি প্ৰদান নকৰিবা পৰিৱৰ্তে তোমাৰ পথ মুকলি হ'বলৈ ঈশ্বৰত ভাৰসা কৰিবা। ইস্ৰায়েলক যেনেকৈ তেওঁ নিৰ্দেশ দিছিল তোমাকো তেওঁ


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

ECHO OF HIS CALL 1969-2019 REACHING NATIONS

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL ★ Estd. 1969

**যোৱা ৫৪ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় খ্ৰীষ্টিয়ান চলাওঁতাসকল আৰু জ্যেষ্ঠ পালকসকলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ**

| | |
|---|---|
| Diploma in Ministry | : One year |
| Diploma in Theology | : Two years |
| Bachelor of Theology | : Three years |

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

নিৰ্দেশৰ বাক্য দিয়ে ঃ "...**আগুৱাই যোৱা**" যাত্ৰাপুস্তক ১৪ঃ১৫।

যিহোচুৱাই অসম্ভৱ শত্ৰুবোৰৰ সন্মুখীন হৈছিল, য'ত তেওঁবিলাকে পাঁচ বিদেশী ৰজাবিলাকৰ বৃহৎ সৈন্যদলৰ সন্মুখীন হৈছিল যিহোচুৱা যেতিয়া যুদ্ধক্ষেত্ৰলৈ চালে, তেওঁ দেখিলে উপত্যকাটোত প্ৰকাণ্ড ৰথ আৰু উত্তম প্ৰশিক্ষণপ্ৰাপ্ত সৈন্যদলেৰে পূৰ্ণ হৈ আছে। তেওঁৰ লগত যি আছিল সকলো দুৰ্বল আৰু অপ্ৰশিক্ষণপ্ৰাপ্ত সৈন্যদল আছিল।

সেই মুহূৰ্তত, যিহোৱাৰ মনত এটা হতাশৰ মেঘ আহিছিল। সম্ভৱত তেওঁ ভাবিছিল, "হে ঈশ্বৰ, আমি ইয়াত কোনোমতেহে আহি পালো কিন্তু এতিয়া আমি অতি শক্তিশালী শত্ৰুৰ সৈতে যুঁজ কৰিবলগীয়া হৈছে। অনুগ্ৰহ কৰি, মোক কোৱা-আমি কি কৰিম?"

শাস্ত্ৰই কয়ঃ "**যিহোৱাই যিহোচুৱাক ক'লে, তুমি সিঁহতলৈ ভয় নকৰিবা; কিয়নো মই সিঁহতক তোমাৰ হাতত দিলো; সিঁহতৰ কোনেও তোমাৰ আগত থিয় হ'ব নোৱাৰে**" যিহোচুৱা ১০ঃ৮।

আনকি যিহোচুৱাই যুদ্ধক্ষেত্ৰলৈ যোৱাৰ আগতে ঈশ্বৰে জয়যুক্তৰ ঘোষণা কৰিছিল। তেওঁ ক'লে, "জয়যুক্ত ইতিমধ্যে হ'ল! যুদ্ধৰ পাছত শত্ৰু সৈন্যৰ কোনোৱেও তোমাৰ আগত থিয় দিব নোৱাৰিব। এতিয়া যোৱা আৰু যুদ্ধ কৰা, জানি লোৱা যে তোমাৰ জয়যুক্তক মই প্ৰতিজ্ঞা কৰিলো!"

এইয়ে ক্ৰুচৰ শুভবাৰ্তা! আমাৰ বাবে জয়যুক্ত ইতিমধ্যে হ'লেই। যিকোনো অভাৱৰ আমি সন্মুখীন হ'লেও আৰু যিকোনো পৰাক্ৰমী কষ্ট আমাৰ লগত থাকিলেও, আমাৰ জয়যুক্ত নিশ্চিত হ'ল ঃ... **তথাপি আমাক প্ৰেম কৰা জনাৰ দ্বাৰাই, এই সকলো কথাও আমি জয়তকৈয়ো জয়যুক্ত**" ৰোমীয়া ৮ঃ৩৭।

ইয়াৰ অৰ্থ এইটোৱেই হয়নে যে আমি থিয় হৈ থাকিলে ঈশ্বৰে স্বৰ্গদূতক পঠাই শত্ৰুবোৰক হত্যা কৰিব? নহয় কেতিয়াও নহয়! যদিও ঈশ্বৰে আমাক জয়যুক্তৰ ঘোষণা কৰিলে তেওঁ আমি কৰিবলগীয়া কাম নকৰে। **আটাইতকৈ গুৰুত্বপূৰ্ণ, যিহেৰে আপোনালোকে সকলো পাপশক্তিৰ অগ্নিময় শৰসমূহ নুমাব পাৰে, এনে বিশ্বাসৰ ঢাল লওক। পৰিত্ৰাণৰ আৰু আত্মাৰ তৰোৱাল ৰূপে ঈশ্বৰৰ বাক্য গ্ৰহণ কৰক, ইফিচীয়া** ৬ঃ১৬,১৭।

তেতিয়াও আমি শত্ৰুৰ সৈতে যুঁজিবলৈ তৰোৱাল উঠাবই লাগিব। পাৰ্থক্যটো হৈছে ঈশ্বৰে আমালৈ শক্তি দিয়াৰ প্ৰতিজ্ঞাক বিশ্বাস কৰি আমি নিজেই কৰিব লাগিব ঃ ..."**কিন্তু ধন্য ঈশ্বৰ, তেওঁ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰাই আমাক জয়দান কৰিলে** ১ কৰিন্থীয়া ১৫ঃ৫৭।

পবিত্ৰ আত্মাই আমাৰ বিশ্বাসক সঁহাৰি দিয়ে। যেতিয়া আমি তেওঁক নিবেদন কৰো, তেওঁ আমাৰ ওপৰলৈ অতি প্ৰাকৃতিক শক্তিৰে আহি মাংসৰ অভিলাষ কাৰ্য্যবোৰক নষ্ট কৰে। আমাৰ কৰিবলগীয়া অংশটো হৈছে বিশ্বাস আৰু বিশ্বাসত আগুৱাই যাব লাগে। ঈশ্বৰৰ আত্মাই আমাৰ বিৰুদ্ধে অহা মন্দ শক্তিক প্ৰতিৰোধ কৰিব।

**২। ঈশ্বৰে অতীতত কিদৰে আমাৰ শত্ৰুবোৰক পৰাজয় কৰিলে তাকে আমি সোঁৱৰণ কৰাটো তেওঁ বিচাৰে!!**

মোচিয়ে ইস্ৰায়েলক পৰামৰ্শ দি কৈছিল, **তুমি সিঁহতলৈ ভয় নকৰিবা, তোমাৰ ঈশ্বৰ যিহোৱাই ফৰৌণ আৰু গোটেই মিচৰলৈ যি যি কৰিছিল ... "নানা মহাপৰীক্ষাৰে যি চিন আৰু অদ্ভুত লক্ষণ আৰু বলবান হাত ও মেলা বাহুৰে তোমাৰ ঈশ্বৰ যিহোৱাই তোমাক বাহিৰ কৰি আনিলে, সেই সকলোকে ভালকৈ সোঁৱৰণ কৰা; তুমি যিবোৰলৈ ভয় কৰিছা, সেই সকলো জাতিলৈকে তোমাৰ ঈশ্বৰ যিহোৱাই সেইদৰে কৰিব" দ্বিতীয় বিৱৰণ** ৭ঃ১৮-১৯।

কি যে আচৰিত বাৰ্তা! মোচিয়ে ইস্ৰায়েলবিলাকলৈ সোঁৱৰণ কৰাইছিল, "তোমালোক যিকোনো শত্ৰুৰ সন্মুখীন হ'লেও, সেই সকলোৰে ওপৰত তোমালোকক জয়যুক্ত কৰিবলৈ ঈশ্বৰে প্ৰতিজ্ঞা কৰিছে। তেওঁ তোমালোকৰ পিতৃসকলক ফৰৌণৰ পৰা উদ্ধাৰ কৰিলে, আৰু আজিও তোমালোকলৈ সেই একেদৰেই কৰিব!"

**...মিচৰ দেশৰ পৰা ওলাই অহাৰ দিন তুমি জীয়াই থাকা মানে সোঁৱৰণ কৰিবৰ নিমিত্তে...**" দ্বিতীয় বিৱৰণ ১৬ঃ৩... "**আৰু তুমি মিচৰ দেশত যে বন্দী আছিলা, তাক সোঁৱৰণ কৰিবা...** দ্বিতীয় বিৱৰণ ১৬ঃ১২ পদ।

মানুহবিলাকলৈ মোচিৰ কাতৰোক্তি এইদৰে আছিল যে, "অতীতত সোঁৱৰণ কৰা! যদি তোমালোক এই অৰণ্যত কষ্ট অধিক বুলি ভাবিছা, তেন্তে মিচৰত তোমালোক সন্মুখীন হোৱা সেই ভয়ানক দৃশ্যকো সোঁৱৰণ কৰা। তোমালোক তাত যি দাসত্বৰ জীৱন জীয়াই আছিলা তাক নাপাহৰিবা। আৰু ইয়াকো সোঁৱৰণ কৰা যে ঈশ্বৰে তোমালোকক তাৰ পৰা ৰক্ষা কৰিবলৈ আৰু শুদ্ধিকৰণ কৰিবলৈ উদ্ধাৰ কৰিলে!"

যিচয়া ভাববাদীয়েও ভয়ভীত মানুহবিলাকলৈ ঈশ্বৰৰ বাক্য দিছিল। কাৰণ সেই সময়ত ইস্ৰায়েলক ঈশ্বৰে ত্যাগ কৰা বুলি তোমালোক পতিয়ন গৈছিলা। যিকোনো সময়ত শত্ৰুৰ আক্ৰমনৰ ভয়ত তেওঁবিলাকক নিশ্চিত বাক্য দিলেঃ

**...যদি তৃণৰ দৰে কৰা হ'ব, এনে মনুষ্য-সন্তানলৈ ভয় কৰিছা আৰু যিজনাই আকাশ-মণ্ডল বিস্তাৰ কৰিলে, আৰু পৃথিবীৰ মূল স্থাপন কৰিলে, তোমাৰ নিৰ্মাণকৰ্তা সেই যিহোৱাক তুমি**


**মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ**

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।



**কৰ ৰেহাই**

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰছিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

### দীঘল দাড়িৰ সৈতে এজন ধুনীয়া মানুহ !

চেন্নাই (মাদ্ৰাচ) ত থকা মোৰ ভাড়া ঘৰখনত আমাৰ প্ৰথম মণ্ডলীৰ বাবে অধিক খালী ঠাইবিলাকক ব্যৱহাৰৰ বাবে দিছিলো, যি ঘৰখন আকবৰ চাহিব ষ্ট্ৰিটত আছিল। মোৰ ওচৰ-চুবুৰীয়াৰ সকলো লোক মুছলিম আছিল, যিবিলাকে প্ৰভু যীচু খ্ৰীষ্টৰ শুভবাৰ্তা শুনিবলৈ কেতিয়াও ইচ্ছা কৰা নাছিল। কিন্তু ঈশ্বৰে মোক সেই ঠাইতেই তেওঁৰ পৰিচৰ্য্যা কৰিবলৈ প্ৰোতসাহিত কৰিলে।

মোৰ ব্যক্তিগত পৰিচৰ্য্যাৰ লগতে আন আন পৰিচৰ্য্যামূলক কাৰ্য্যকলাপবিলাকৰ মাজতে মই প্ৰতি দেওবাৰে পুৱা ৯ বজাত উপাসনা আৰম্ভ কৰিছিলো। উপাসনাত, মই মোৰ বাদ্যযন্ত্ৰ একৰডিয়ান বজাই গীত গাইছিলো আৰু প্ৰভুৰ আৰাধনা কৰিছিলো, যেনিবা মোৰ সন্মুখত মানুহৰ ডাঙৰ ভিৰ জমা হৈ আছিল। সেই অঞ্চলৰ মানুহবিলাকৰ লগতে সাধাৰণ জনতাসকলে মোৰ শব্দ শুনি আনন্দিত হোৱা নাছিল। গতিকে প্ৰথম কেইটি বছৰত মোৰ মানুহৰ সংখ্যা নিচেই শূণ্য হৈ আছিল।

১৯৮৪ চনত, এটা বিশেষ দেওবাৰে, মই উপাসনাৰ বাবে ঠাই যুগুত কৰিলো আৰু উপাসনা আৰম্ভ কৰিবলৈ সকলো ব্যৱস্থা কৰি পেলালো। সেইদিনা উপাসনাত মই নিৰন্তৰে প্ৰাৰ্থনা কৰিলো আৰু অন্ততঃ কিছুমান মানুহক প্ৰভুৱে উপাসনাত আনিব বুলি মই অপেক্ষা কৰি আছিলো। কিন্তু সেইবিশেষ দিনটোত কোনোৱেও উপাসনালৈ নাহিল, মই আত্মাত বহুত দুখ পাইছিলো আৰু শাৰীৰিকভাৱে ভাগৰি পৰিছিলো। গতিকে মই মোৰ ঘৰৰ আন এটা কোঠালৈ গ'লো আৰু এটা ভগ্ন হৃদয় লৈ শুই গৈছিলো।

**এনে সময়তে যিহোৱাৰ দূতে গিদিয়নক দৰ্শন দি ক'লে, "হে শক্তিশালী যোদ্ধা, যিহোৱা তোমাৰ লগত আছে!"-বিচাৰকৰ্তা ৬ঃ১২)।**

### HANDSOME MAN WITH LONG BEARD!

সেই সময়ত, মই এটা দৰ্শন দেখিলো। দীঘল দাড়িৰ সৈতে এজন ধুনীয়া মানুহে গীৰ্জাঘৰৰ দুৱাৰেদি ভিতৰলৈ সোমাই আহিলে। ভালে সংখ্যাৰ মানুহে তেওঁৰ পিছে পিছে সোমাই আহিল। কিন্তু তেওঁলোকৰ মুখমণ্ডলবোৰ স্পষ্টকৈ দেখা পোৱা নগ'ল। তেওঁ মানুহবিলাকৰ লগত, লাইট জ্বলালে আৰু ফেনবোৰ চলালে আৰু সকলোৱে আঁঠু কাঢ়ি ল'লে আৰু জীৱিত ঈশ্বৰলৈ প্ৰাৰ্থনা আৰু আৰাধনা কৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ মাত ইমান ডাঙৰ আছিল যে মই শুবই পৰা নাছিলো। গতিকে মই ভয় আৰু শ্ৰদ্ধাৰে কোঠাটোৰ ভিতৰলৈ সোমালো। কিন্তু তাত কোনোৱেই নাছিল। সেই মানুহজন আৰু আনবিলাকে অকস্মাতে তাৰ পৰা অদৃশ্য হৈ গৈছিল।

কেইমিনিট মানৰ পাছত, ৰেভা, ডাক্তৰ বিভিন্ন লাউৰেঞ্চ নামৰ ঈশ্বৰৰ দাস এজনে তেওঁৰ ভাৰ্য্যা চেৰেনা বেভিন আৰু নতুনকৈ জন্মা সন্তানটিক লগত লৈ গীৰ্জাঘৰৰ ভিতৰলৈ সোমাই আহিল। পুনৰ কেইমিনিটমানৰ পাছত আৰু কিছুমান নতুন মানুহ আহি আমাৰ লগত উপাসনাত যোগদান কৰিছিল আৰু তাৰ পাছৰ পৰা ঈশ্বৰে আমাৰ মণ্ডলীক আৰু আশীৰ্বাদ কৰিলে।

আমাৰ ঈশ্বৰ সকলো সময়ত ভাল হৈ থাকে। তেওঁ যিকোনো মানুহৰ জীৱনত আচৰিত কৰ্ম কৰিব পাৰে, যিকোনো সময়ত, যিকোনো মতে। আপুনিও জীৱনত আজি তেওঁৰ স্বৰ্গীয় হস্তক্ষেপৰ বাবে তেওঁত ভাৰসা কৰিব পাৰিব।

❖❖❖❖❖

**পাহৰিছা? আৰু তুমি কোন যে উপদ্ৰৱ কৰোতাই বিনষ্ট কৰিবলৈ যুগুত আছে বুলি তাৰ ক্ৰোধৰ কাৰণ তুমি ওৰে দিনটো সদায় ভয় কৰিছা? সেই উপদ্ৰৱকাৰীৰ ক্ৰোধ ক'তা!** যিচয়া ৫১ঃ১২-১৩।

ঈশ্বৰে এই ভাববাদীৰ যোগেদি তেওঁবিলাকক ক'লে, "তোমালোকে ভয় কৰাৰ কাৰণটো এইয়ে যে মই কোন হয় তাক পাহৰিছা। তোমালোকে কেৱল তোমালোকৰ সমস্যাবোৰত গুৰুত্ব দিছা। কিন্তু মোৰ শক্তিত আৰু তোমালোকক উদ্ধাৰ কৰাৰ ক্ষমতাৰ ওপৰত গুৰুত্ব দিয়া নাই। মোৰ যে হাত তোমালোকৰ জীৱনৰ ওপৰত আছে তাক তোমালোকে পাহৰিছা!"

ঈশ্বৰে আপোনাৰ জীৱনত কৰা আচৰিত কৰ্মক সোঁৱৰি আপুনি মনত কষ্ট পাব পাৰে। আপুনি হয়তো ভাবিব পাৰে, "মোৰ জীৱন এটা দীঘলীয়া ঘোৰ আন্ধাৰত থকাৰ দৰে আছে। ইয়াত আনন্দ কৰিবলৈ মোৰ একোৱেই নাই। ঈশ্বৰৰ আচৰিত কৰ্মৰ বিষয়ে যেতিয়া মোৰ জীৱনত অভিজ্ঞতা পোৱাই নাই তেন্তে মই কেনেকৈ তাক সোঁৱৰণ কৰিম?"

আপুনি নিশ্চয়ে বুজা উচিত যে আমাৰ অভিজ্ঞতাই আমাৰ বিশ্বাসক বঢ়ায়, কিন্তু এইবোৰেই আমাৰ বিশ্বাসৰ মূল ভেঁটি নহয়। সেই গতিকে ঈশ্বৰৰ বাক্যই আমাক সদায় যীচুৱে যি যি কৰিছিল তাৰ ফালে আঙুলিয়াই দিয়ে। ক্ৰুচৰ ওপৰত আমালৈ তেওঁ আনি দিয়া জয়যুক্তক আমি সোঁৱৰণ কৰিব লাগে। আৰু বিশ্বাসেৰে ইয়াত আমি লাগি থাকিব লাগে। কেৱল তেওঁৰেই আমাক তেওঁৰ আত্মাৰ দ্বাৰাই জয়যুক্তৰ শক্তি দিয়ে।

**যীচুৱে ক'লে মই মোৰ "পিতৃৰ ওচৰলৈ যাওঁ কিন্তু মই তোমালোকক অনাথকৈ এৰি নাযাওঁ।"**

খ্ৰীষ্টই শিষ্যবিলাকক কৈছিল, "**কিন্তু এতিয়া মোক পঠোৱা জনাৰ ওচৰলৈ যাওঁ ... মই তোমালোকক অনাথকৈ এৰি নাযাওঁ...**" যোহন ১৬:৫,১৪:১৮। "অনাথ" ইয়াৰ গ্ৰীক শব্দৰ অৰ্থ হৈছে, "সহায়হীন" মানে "দুখ-বেদনা, পিতৃহীন।"

শিষ্যসকলৰ দৰে আপুনিও কেতিয়াবা ভাবিব পাৰে যে ঈশ্বৰে আপোনাক অকলশৰীয়া কৰি এৰি দিলে আৰু তাৰ লগতে কোনো কৰ্মও কৰা নাই। আপোনাৰ জীৱনত তেওঁৰ যত্নক আপুনি দেখা নাপাব। তেতিয়া চয়তানে আপোনাক মিছা কথা ক'ব যে ঈশ্বৰৰ আত্মাই অলপ সময়ৰ বাবে আপোনাক এৰি দিছে।

কিন্তু আপুনি পাহৰিব নোৱাৰা এটা আচৰিত কৰ্ম আছে। এই টোৱেই হৈছে বিশ্বাসীসকললৈ যীচুৱে কৰা প্ৰতিজ্ঞাঃ "মই তোমালোকক অনাথকৈ এৰি নাযাও! মই তোমালোকৰ বাবে মূল্য দিছো!! আৰু তোমালোক মোৰ!!!"

যিকোনো পৰিস্থিতিৰ মাজেদি আপোনাৰ জীৱন যাব পাৰে, কিন্তু আপোনাৰ স্বৰ্গীয় পিতৃয়ে আপোনাৰ যিকোনো ইচ্ছাক বন্ধ কৰা নাই আৰু নকৰিবও। তেওঁৰ অনন্তকলীয়া আৰু ভগ্ন নোহোৱা প্ৰতিজ্ঞাক শুনক ঃ

**...চিয়োনে ক'লে, যিহোৱাই মোক ত্যাগ কৰিলে আৰু প্ৰভুৱে মোক পাহৰিলে, তিৰোতা মানুহে নিজৰ পেটৰ সন্তানক স্নেহ নকৰাকৈ জানো নিজৰ পিয়াহ খোৱা কেঁচুৱাক পাহৰিব পাৰে? হয়, সিঁহতে পাহৰিব পাৰে, তথাপি মই তোমাক নাপাহৰিম। চোৱা, মই মোৰ হাতৰ তলুৱাত তোমাক খোদিত কৰিলো, তোমাৰ গড়বোৰ সদায় মোৰ দৃষ্টিত আছে** যিচয়া ৪৯:১৪-১৬।

এই শাস্ত্ৰপাঠটিয়ে কয় যে, "তোমাৰ ৰক্ষাৰ আৱশ্যকতা সদায় মোৰ চকুৰ আগত থাকে! এনেকুৱা এটাও মুহূৰ্ত নাই যে তোমাৰ চাৰিওফালে থকা মোৰ অতি প্ৰাকৃতিক বেৰ তোমাৰ লাগি থকাৰ বিষয়ে মই জ্ঞাত নহয়!! মোৰ সংৰক্ষিত বেৰ সদায় থাকিব!!!"

মই জানিব পাইছো যে কিছুমান পালকৰ ভাৰ্যাই তেওঁলোকৰ সন্তানক ত্যাগ কৰিছে। অলপতে এজন পালকে আমালৈ এইদৰে লিখিছে যেঃ "মোৰ বিবাহ হোৱা ২৫ বছৰ অতিবাহিত হ'ল, কিন্তু মোৰ ভাৰ্যাই অলপতে ইণ্টাৰনেটৰ যোগেদি পোৱা মানুহ এজনৰ বাবে মোক আৰু সন্তানক ত্যাগ কৰি গুচি গ'ল। মই এতিয়াও তাইক প্ৰেম কৰো আৰু মই তাইক ঘূৰি অহাটো বিচাৰো কিন্তু তাই নাহিব। মই এতিয়া বহুত দুখ পাইছো আৰু মই ৰাতি শুব নোৱাৰো। মই নাজানো মই কেনেকৈ সহ্য কৰিম?"

ঈশ্বৰে এই মানুহজনক এইদৰে উত্তৰ দিছে, "যদিও তোমাৰ প্ৰিয় ভাৰ্যাই তোমাক ত্যাগ কৰিব কিন্তু মই তোমাক নেৰিম। তোমাৰ চাৰিওফালে থকা মোৰ বেৰবোৰে সদায় তোমাক সংৰক্ষিত কৰি থাকিব।"

আমাৰ পৰিচৰ্য্যাই অনেক মহিলাসকলৰ পৰা এনে পত্ৰ গ্ৰহণ কৰিছে যে তেওঁলোকৰ স্বামীয়ে দশক ধৰি মদ্যপান কৰি আছে। যেতিয়া মই এই হতাশাৰ পত্ৰবিলাক পঢ়ো, মই কওঁ, "হে ঈশ্বৰ, কিয় এই বিশ্বাসী মহিলাসকলে তেওঁলোকৰ জীৱনত কোনো আশাৰ ৰেঙনি নেদেখি বহু বছৰ ধৰি কষ্ট পাই আছে?" মই কেতিয়াও বুজি নাপাওঁ কিয় মোৰ ভাৰ্য্যাই শাৰীৰিক ৰোগত ভুগি থাকিব লাগে। তেওঁৰ ২৮ টা অস্ত্ৰোপচাৰ হৈছে আৰু তাৰে ছয়টা কেন্সাৰৰ, চল্লিশ বছৰ ধৰি এই ভয়ানক পীড়া। ঈশ্বৰৰ যিকোনো দাস বা থিয়'লজিয়ানে, মোক ব্যাখ্যা কৰি বুজাই দিব পৰা নাইযে, কিয় মোৰ ভাৰ্যাই এনেদৰে কষ্ট পাব লাগে।"

তথাপিও, আমাৰ যিকোনোৱেও এনে অৱস্থাত ভুগিলেও বা যিমান দিন ভুগি থাকিব লগা হ'লেও, এটা সত্য কথা যেঃ

**আমাক সকলোতে ৰক্ষা কৰি ৰাখিবলৈ ঈশ্বৰৰ অনুগ্ৰহই জুৰিব!**

পাঁচনি পৌলে ঈশ্বৰলৈ কাতোৰোক্তি কৰি ক'লে, "হে ঈশ্বৰ মোৰ শৰীৰত থকা এনে কাইট গুচোৱা।" কিন্তু ঈশ্বৰে উত্তৰ দি তেওঁক ক'লে, "মোৰ যি অনুগ্ৰহ, সেয়ে তোমালৈ জুৰিব..." ২ কৰিন্থীয়া ১২:৯। ঈশ্বৰে তেওঁৰ দাসজনক ক'লে, "পৌল, তুমি এই কাইটৰে সৈতে জীয়াই থাকিব লাগিব। কিন্তু তোমাৰ এই দুখ-কষ্টৰ মাজতে তোমাৰ প্ৰয়োজনীয় সকলো অনুগ্ৰহ মই তোমাক দিম। তোমাৰ বাবে মোৰ ওচৰত কেতিয়াও শেষ নোহোৱা ব্যৱস্থা আছে।

ঈশ্বৰে বিচাৰে যে আমি জানিব লাগে যে তেওঁ আমাক বেয়া পৰিস্থিতিৰ পৰা কৰা যিকোনো উদ্ধাৰ কৰাতকৈ তেওঁৰ অনুগ্ৰহ আৰু অধিক শক্তিশালী কিয়? তেওঁৰ অনুগ্ৰহই প্ৰকাশ কৰে যে তেওঁ কোন হয় - কেৱল কওক, যীচুখ্ৰীষ্টই ঈশ্বৰৰ অনুগ্ৰহক সকলো পবিত্ৰতাত, তথাপি নম্ৰেৰে আৰু দয়ালু হৃদয়ৰে সম্পূৰ্ণকৈ প্ৰকাশ কৰিলে।

আমাৰ স্বৰ্গীয় পিতৃয়ে আমাৰ দুখ-কষ্টক লক্ষ্য কৰে আৰু আমালৈ তেওঁ এই আচৰিত প্ৰতিজ্ঞাবোৰ কৰিছে ঃ **কিন্তু ধাৰ্মিক বিলাকৰ পৰিত্ৰাণ যিহোৱাৰ পৰাইঃ সংকটৰ কালত তেওঁ তেওঁবিলাকৰ দৃঢ় আশ্ৰয়।** গীতমালা ৩৭:৩৯।

**"...মই তোমাক কেতিয়াও নেৰিম, কেতিয়াও ত্যাগ নকৰিম। এতেকে আমি সাহেৰে ক'ব পাৰো যে, প্ৰভূ মোৰ সহায়কৰ্তা; মই ভয় নকৰিম। মানুহে মোক কি কৰিব।"** ইব্ৰী ১৩:৫-৬।

**"সেই যি তুমি, তুমি ভয় নকৰিবা, কিয়নো মই তোমাৰ লগতে আছো, মই তোমাক শক্তি দিম; সহায়ো দিম, এনে কি মোৰ ধাৰ্মিকতা ৰূপ সোঁহাতেৰে তোমাক ধৰি ৰাখিম।"**

**চোৱা যিবোৰে তোমাৰ বিৰোধে কুপিত হৈছে, সেই সকলোৱে লাজ পাই বিবৰ্ণ হ'ব, যিবোৰে তোমাৰ লগত বিবাদ কৰে, সিঁহত নোহোৱা যেন হ'ব, আৰু বিনষ্ট হ'ব, যিবোৰে তোমাৰ বিৰোধ কৰে, সিঁহতক তুমি বিচাৰি নাপাবা, যিবোৰ তোমাৰ লগত যুদ্ধ কৰে, সিঁহত শূণ্য আৰু একো নোহোৱা যেন হ'ব!**

**কিয়নো তোমাৰ ঈশ্বৰ যিহোৱা যি মই, ময়েই তোমাৰ সোঁহাতত ধৰি কওঁ, ভয় নকৰিবা; ময়েই তোমাক সহায় কৰিম... দুখী আৰু দৰিদ্ৰবিলাকে জল বিচাৰে কিন্তু জল নাই, তেওঁবিলাকৰ জিভা পিয়াহতে শুকাই গ'ল মই যিহোৱা সিবিলাকৰ প্ৰাৰ্থনাৰ উত্তৰ দিম, মই ইস্ৰায়েলৰ ঈশ্বৰ তেওঁবিলাকক ত্যাগ নকৰিম।** যিচয়া ৪১:১০, ১৩,১৭।

আপুনি যিকোনো পৰিস্থিতি, অভাৱ বা নষ্টৰ মাজতো জয়যুক্ত হ'ব পাৰিব। সকলো যীচুখ্ৰীষ্টৰ অনুগ্ৰহৰ দ্বাৰাই। যিকোনো সমস্যা আপেনাৰ পথত আহিব পাৰে, তেওঁত থকা যথেষ্ট অনুগ্ৰহ আৰু পবিত্ৰ আত্মাই আপোনাক শান্ত্বনা দিব!

সেই কাৰণে ঈশ্বৰৰ পৰাক্ৰমী হাতৰ অধীনত নিজকে নম্ৰ কৰক, তাতে উপযুক্ত সময়ত ঈশ্বৰে তোমালোকক উন্নত কৰিব। ১ পিতৰ ৫:৬ পদ।

এতেকে তোমালোকে সাহস নেহেৰুৱাবা, সেই সাহসে তোমালোকক মহাপুৰস্কাৰ আনি দিব। ইব্ৰী ১০:৩৫ ।

❖❖❖❖❖

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## Echo of His Call

**ইউ টিউব**

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

\- সম্পাদক

## OUR BANK DETAILS:

### 1. Bank : State Bank of India

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### 2. Bank : ICICI Bank

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### 3. Bank : State Bank of India

(This Account is for Tax Exemption for Indians only )

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

Google Pay: 98410 71858
PayPal : SAM SELVA RAJ
*****
E.mail : sam@echoofhiscall.org

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th SEPTEMBER 2023
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

GOD BLESS YOU!

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**